# 2025

## ASSAMESE

Paper : ASS0400104

( ভাষাবিজ্ঞান পৰিচয় )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৮=৮

(ক) অসমীয়া ভাষাৰ এটা অঘোষ ধ্বনিৰ উদাহৰণ দিয়া।

(খ) শ্বাসাঘাত বিভাজ্য নে অবিভাজ্য ধ্বনি?

(গ) অসমীয়া ভাষাত ভাষা ঋণৰ শব্দ এটাৰ উদাহৰণ দিয়া।

(ঘ) স্বাভাৱিক ভাষাৰূপে ব্যৱহাৰ হ'লে মিশ্ৰিত ভাষাই কি নাম পায়?

(ঙ) *A Course in Modern Linguistics* নামৰ গ্ৰন্থখনৰ ৰচক কোন?

(চ) পৃথিৱীৰ সৰ্ববৃহৎ ভাষা-পৰিয়ালটোৰ নাম কি?

(ছ) ভাষাৰ ক্ষুদ্ৰতম অৰ্থবহ গোটটোৰ নাম কি?

(জ) 'বননি'—এই শব্দটোত থকা মুক্ত প্ৰাকৃতিটো কি?

২। চমু উত্তৰ দিয়া (যি কোনো ছয়টা) : ২×৬=১২

(ক) হকেটৰ মতে ভাষাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) কোনগৰাকী পণ্ডিতে, কেতিয়া, ক'ত প্ৰদান কৰা ভাষণত তুলনামূলক ভাষাবিজ্ঞানে জন্মলাভ কৰিছিল?

(গ) বাক্যৰ উদ্দেশ্য কাক বোলে? বাক্য এটাৰ উদাহৰণ দি উদ্দেশ্যটো চিহ্নিত কৰা।

(ঘ) গুণগতভাৱে সৰ্গক কি দুটা ভাগত ভগাব পাৰি? প্ৰত্যেকৰে এটাকৈ উদাহৰণ দিয়া।

(ঙ) অসমীয়া ভাষাত বাক্য গঠনৰ ক্ৰম কি? এটা উদাহৰণৰ সহায়ত দেখুওৱা।

(চ) ধ্বনিবিজ্ঞানত কি আলোচনা কৰা হয়? ইয়াৰ মূল শাখাসমূহৰ নাম লিখা।

(ছ) আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপি (IPA) কি? অসমীয়া ভাষাৰ |ঙ| ধ্বনিক IPA-ত কেনেকৈ লিখা হয়?

(জ) মান্যভাষা আৰু উপভাষাৰ দুটা পাৰ্থক্য লিখা।

(ঝ) ব্যক্তি ভাষা মানে কি? এটা উদাহৰণ দিয়া।

(ঞ) পৰিস্থিতি নিৰ্ধাৰক ভাষাৰ দুটা উদাহৰণ দিয়া।

৩। চমুকৈ লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) বাক্য গঠনৰ বাবে পদৰ কেনেধৰণৰ যোগ্যতাৰ প্ৰয়োজন হয়? চমুকৈ লিখা।

(খ) অসমীয়া ভাষাৰ উদাহৰণ দি শব্দৰূপৰ সৰ্গৰ বিষয়ে চমু টোকা লিখা।

(গ) বিশিষ্ট ধ্বনি বা বৰ্ণ (Phoneme) আৰু উপধ্বনি (Allophone)ৰ মাজৰ পাৰ্থক্য নিৰূপণ কৰা।

(ঘ) ধ্বনি উৎপাদনত স্বৰতন্ত্ৰী (vocal cords)-ৰ ভূমিকা সম্পৰ্কে লিখা।

(ঙ) ৰূপধ্বনি সাপেক্ষতা সম্পৰ্কে চমুকৈ লিখা।

(চ) প্ৰায়োগিক ভাষাবিজ্ঞান সম্পৰ্কে এটি চমু টোকা লিখা।

(ছ) পিজিন সম্পৰ্কে এটি চমু টোকা প্ৰস্তুত কৰা।

(জ) ভাষাৰ উৎপত্তি সম্পৰ্কীয় মতবাদ এটা ব্যাখ্যা কৰা।

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো দুটা) : ১০×২=২০

(ক) ভাষাৰ শ্ৰেণীবিভাজন সম্পৰ্কে এটি আলচ যুগুত কৰা।

(খ) বাগিন্দ্ৰিয় বুলিলে কি বুজা? উপযুক্ত ছবিৰ সহায়ত ব্যাখ্যা কৰা।

(গ) ব্যাকৰণগত বিষয় মানে কি? অসমীয়া ভাষাৰ ব্যাকৰণগত বিষয়সমূহ বিচাৰ কৰা।

(ঘ) প্ৰাকৃতি কাক বোলে? আকৃতিৰ পৰা কিদৰে প্ৰাকৃতি নিৰ্ণয় কৰিব পাৰি, আলোচনা কৰা।

(ঙ) ভাষাৰ ভিন্নতা সৃষ্টিৰ যি কোনো পাঁচটা কাৰক উদাহৰণসহ আলোচনা কৰা।

★★★